- তেওঁৰ একেসময়তে শুনাৰ আৰু চিন্তা কৰাৰ ক্ষমতা থাকিব লাগিব।
- কেন্দ্রীভূত সমূহত হোৱা আলোচনাৰ বিষয় সন্দর্ভত আঁতধৰোতাজনৰ সম্যক জ্ঞান থকাটো দৰকাৰ।
- আঁতধৰোতাজনে প্রতিজন অংশগ্রহণকাৰীৰ সামাজিক মান, শৈক্ষিক অর্হতা আৰু অভিজ্ঞতা নির্বিশেষে সমান ব্যৱহাৰ কৰাটো বাঞ্ছনীয়।
- আঁতধৰোতাজনে নিৰপেক্ষ ভূমিকা গ্রহণ কৰি ব্যক্তিগত মত আৰু দ্বেষভাৱ আঁতৰাই ৰাখিব লাগে।
- কেন্দ্রীভূত সমূহৰ প্রশ্নসমূহ সৰল, চমু, মুক্ত পৰিসৰৰ আৰু পোণপটীয়া হ'ব লাগে।
- কেন্দ্রীভূত সমূহৰ আলোচনাক গৱেষণাৰ এক আহিলাৰূপে ব্যৱহাৰ কৰা হয় যাতে গৱেষকে নিজে পৰিস্থিতিৰ সৈতে একাত্ম হোৱাৰ সুযোগ লাভ কৰে।
- কেন্দ্রীভূত সমূহৰ আলোচনাই গৱেষকক পৰৱর্তী পর্যায়ৰ গৱেষণা প্রক্রিয়াৰ গাঁথনি তৈয়াৰ কৰাত সহায় কৰে।

১২.৯ অধিক জানিবলৈ

১) Ahuja,Ram (2001):Research Methods,Rawat Publications,New Delhi.

২) Chattopadhyay,Krichanadas & Sudarshana Sen (2013):Rudiments of Social Research,Levant Books,Kolkata.

৩) Kothari,C.R (2004):Research Methodology-Methods and Techniques,New Age International (P) Ltd,New Delhi.

১২.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ সৰল ভাষাত এটা কেন্দ্রীভূত সমূহ হৈছে এজন আঁতধৰোতাৰ নেতৃত্বত মুক্ত আলোচনাত মিলিত হোৱা ছয়ৰ পৰা দহজন পর্যন্ত ব্যক্তিৰ এটা সমূহ।

২নং প্রশ্নৰ উত্তৰ ঃ আঁতধৰোতাজনৰ প্রধান উদ্দেশ্য হৈছে এক মুক্ত আৰু স্বর্তস্ফূতঃ আলোচনা অংশগ্রহণকাৰীসকলৰ মাজত আগবঢ়াই নিয়া যাতে অংশগ্রহণকাৰীসকলে সর্বাধিক সংখ্যক মত আৰু ধাৰণা প্রকাশ কৰিব পাৰে।

৩নং প্রশ্নৰ উত্তৰ ঃ ক্রুগাৰৰ মতে, কেন্দ্রীভূত সমূহৰ আলোচনা হৈছে ভয়-ভাবুকিৰ বাতাৱৰণৰ পৰা আঁতৰত, সকলোৰে অনুমতিসাপেক্ষে এক নির্দিষ্ট আগ্রহৰ ক্ষেত্রত দৃষ্টিভংগী স্পষ্ট কৰাৰ লক্ষ্যৰে সাৱধানতাৰে পৰিকল্পনা কৰা আলোচনা।

৪নং প্রশ্নৰ উত্তৰ ঃ কেন্দ্রীভূত সমূহৰ চাৰিটা বৈশিষ্ট্য-

- এটা কেন্দ্রীভূত সমূহৰ আলোচনাত সাধাৰণতে ছয়ৰ পৰা দহজন অংশগ্রহণকাৰী থাকে।
- আঁতধৰোতাজনে প্রথমে অংশগ্রহণকাৰীসকলক সৰু-সুৰা বিষয়ত আলোচনাত অংশ ল'বলৈ উৎসাহিত কৰি লাহে লাহে তেওঁলোকৰ মাজত সু-সম্পর্ক গঢ়ি তোলাত সহায় কৰে।